**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date :** 18-05-2024
**Time :** 18-45 Hrs.

***Assamese Evening Bulletin***

## HEADLINES

১।	লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি   সামৰণি। ষষ্ঠ আৰু সপ্তম পৰ্যাযৰ প্ৰচাৰ অভিযান তীব্ৰ গতিত অব্যাহত।

২।	আইন আৰু ন্যায় মন্ত্ৰালয়ৰ উদ্যোগত গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত ফৌজদাৰী ন্যায় ব্যৱস্থাৰ প্ৰশাসনত ভাৰতত প্ৰগতিশীল পথ সন্দৰ্ভত সন্মিলন। আইন আৰু ন্যায়  মন্ত্ৰালয়ৰ স্বতন্ত্ৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱালৰ সন্মিলনত অংশগ্ৰহণ।

৩।	ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৬১ সংখ্যক বড়ো মাধ্যম দিৱস উদ্‌যাপন।

৪।	দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত ৰাজ্যজুৰি দুৰ্যোগ প্ৰতিৰোধী সজাগতা কাৰ্যসূচীৰ আয়োজন।

*আৰু*

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম ছিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু মুখামুখি।

০০০০

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি সামৰণি পৰে। এই পৰ্যায়ত অহা ২০ মে’ত ৪৯টা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ’ব। পঞ্চম পৰ্যায়ৰ প্ৰচাৰৰ সামৰণিৰ প্ৰাকক্ষণত আজি ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ অন্তিম প্ৰয়াসত ব্ৰতী হয়।

আনহাতে, দেশৰ বিভিন্ন প্ৰান্তত ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান অব্যাহত আছে। ষষ্ঠ পৰ্যায়ত ২৫ মে’ত আৰু সপ্তম পৰ্যায়ত অহা ১ জুনত ৫৭ টাকৈ সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ’ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি হাৰিয়ানাৰ আম্বালাত এন ডি এৰ এখন নিৰ্বাচনী সভাত ভাষণ দি এইবাৰৰ নিৰ্বাচনত বিজেপিয়ে অভিলেখ সংখ্যক আসনত জয়ী হ’ব বুলি আস্থা প্ৰকাশ কৰে। ভাষণ প্ৰসংগত শ্ৰীমোদীয়ে দাবী কৰে যে বিজেপিৰ দৰে শক্তিশালী নেতৃত্বৰ চৰকাৰ এখন ক্ষমতাত থাকিলে ৰাষ্ট্ৰবিৰোধী শক্তিসমূহে মূৰ তুলিবলৈ সুবিধা নাপায়। জম্মু আৰু কাশ্মীৰৰ অৱস্থা পূৰ্বৰ তুলনাত পৰিবৰ্তন হৈছে বুলি দাবী কৰি বিজেপি নেতাগৰাকীয়ে কয় যে, এন ডি এৰ নেতৃত্বতহে এই সু-পৰিবৰ্তন সম্ভৱ হৈছে। শ্ৰীমোদীয়ে লগতে আম্বালা তথা সামগ্ৰিকভাৱে হাৰিয়ানাৰ দেশপ্ৰেমেৰে বিটোত জনসাধাৰণক ৰাষ্ট্ৰবিৰোধী শক্তিৰ বিৰুদ্ধে ভোটদান কৰিবলৈ আহ্বান জনায়।

জ্যেষ্ঠ বিজেপি নেতা তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মায়ো আজি বিহাৰত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। কংগ্ৰেছ শাসনকালক জংঘল ৰাজৰ আখ্যা দি শ্ৰীশৰ্মাই বিজেপিৰ নেতৃত্বত এন ডি এ চৰকাৰে সুশাসন সম্ভৱ কৰিছে বুলি দাবী কৰে।

ইপিনে, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি মুম্বাইত এখন সংবাদমেলক সম্বোধন কৰি কয় যে, আই এন ডি আই মিত্ৰজোঁটে চৰকাৰ গঠন কৰিবলৈ সমৰ্থ হ’লে জিএছটি সলনি এটা সৰল আৰু একক দৰযুক্ত কৰ ব্যৱস্থা সকলোৰে কাৰণে প্ৰযোজ্য কৰা হ’ব। দেশৰ ১৪০ কোটি জনসাধাৰণক চাকৰি,

মূল্যবৃদ্ধি, কৃষকৰ আমদানি হ্ৰাস, দুৰ্নীতি হ্ৰাস ইত্যাদি বিভিন্ন ক্ষেত্ৰত মিছা প্ৰতিশ্ৰুতি প্ৰদান কৰা বুলি দাবী কৰি শ্ৰীখাৰ্গেয়ে শাসনাধিস্থ চৰকাৰক সমালোচনা কৰে। এন চি পিৰ সভাপতি শাৰদ পাৱাৰ আৰু শিৱসেনাৰ সভাপতি উদ্ধৱ থাকৰেও উপস্থিত থকা সংবাদমেলখনত বিৰোধী পক্ষই মহাৰাষ্ট্ৰৰ ৪৮খন লোকসভা আসনৰ ৪৬খনত জয়লাভ কৰিব বুলি দাবী কৰে।

উল্লেখযোগ্য যে আম আদমী পাৰ্টীৰ আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালেও কালি মুম্বাইত আই এন ডি আই মিত্ৰজোঁটৰ সমৰ্থনত আয়োজিত জন সমাবেশত অংশগ্ৰহণ কৰে।

ইফালে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি ঝাঁচীত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। আই এন ডি আই মিত্ৰজোঁট আৰু কংগ্ৰেছক সমালোচনা কৰি শ্ৰীশ্বাহে কয় যে, পৰিয়ালকেন্দ্ৰিক ৰাজনীতিত ৰাষ্ট্ৰতকৈ পৰিয়ালৰ ওপৰত বেছি গুৰুত্ব দিয়া হয়। ইয়াৰ পাছত শ্ৰীশ্বাহে আজি আমেঠিত এন ডি এৰ প্ৰাৰ্থী স্মৃতি ইৰাণীৰ হৈ এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

আনহাতে বিজেপিৰ জ্যেষ্ঠ নেতা ৰাজনাথ সিঙেও আজি উত্তৰ প্ৰদেশত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰি বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ উন্নয়নমুখী কাৰ্যকলাপসমূহে বিশ্বব্যাপি অৰ্থনীতিবিদ আৰু বিত্তীয় অনুষ্ঠানসমূহৰ সমাদৰ লাভ কৰিছে।

০০০০

আইন আৰু ন্যায় মন্ত্ৰালয়ে আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত **ফৌজদাৰী ন্যায় ব্যৱস্থাৰ প্ৰশাসনত ভাৰতত প্ৰগতিশীল পথ** সন্দৰ্ভত এখন সন্মিলনৰ আয়োজন কৰিছে। সন্মিলনৰ আজি প্ৰথম দিনাৰ উদ্বোধনী কাৰ্যসূচীত আইন আৰু ন্যায় মন্ত্ৰালয়ৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে অংশগ্ৰহণ কৰে। ভাষণ প্ৰসংগত শ্ৰীমেঘৱালে সন্মিলনখনে নিৰ্দিষ্ট বিষয় সন্দৰ্ভত সফলতাৰে আলোকপাত কৰিবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰে। তেওঁ লগতে আইন ব্যৱস্থা বিৱৰ্তনৰ সৈতে পলাশী যুদ্ধ, ব্ৰিটিছ শাসনকালৰ দমনমূলক উদ্দেশ্যেৰে সংৰচিত আইন প্ৰণালীৰ প্ৰৱৰ্তনৰ দৰে ঐতিহাসিক পৰিঘটনা সম্পৰ্কে আলোকপাত কৰে। ব্ৰিটিছ শাসনকালীন আইন ব্যৱস্থাৰ তীক্ষ্ণ সমালোচনা কৰি মন্ত্ৰীগৰাকীয়ে এই আইন নীতি ন্যায় তথা সমতা বিৰোধী আৰু ঔপনিবেশিক শাসনৰ প্ৰতিভূ বুলি উল্লেখ কৰে। ২১ শতিকাৰ তৃতীয় দশক ভাৰতৰ স্বতন্ত্ৰতাৰ প্ৰকৃত স্বৰূপ হ'ব বুলি ১৮৯৫ চনত স্বামী বিবেকানন্দই কৰা মন্তব্য প্ৰসংগৰ অৱতাৰণা কৰি মন্ত্ৰীগৰাকীয়ে ভাৰতবৰ্ষৰ ন্যায় ব্যৱস্থাৰ ঔপনিবেশিক শাসন বিৰোধী সংশোধনৰ পোষকতা কৰে। মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধ ৰোধ কৰাটোত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰাৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ইয়াৰ উপৰি অনুষ্ঠানত চিকিম উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিশ্বনাথ চমাদ্দাৰ, আইন আয়োগৰ সদস্য সচিব ৰীতা বশিষ্ঠ, উচ্চতম ন্যায়ালয়ৰ বিচাৰপতি ঋষিকেশ ৰয় আৰু মুখ্য সচিব ৰবি কোটায়েও ভাষণ প্ৰদান কৰে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ৬১ সংখ্যক বড়ো মাধ্যম দিৱস উদ্‌যাপন কৰা হৈছে। বাক্সা জিলাৰ শালবাৰীত এই উপলক্ষে শালবাৰী জিলা বড়ো সাহিত্য সভাৰ উদ্যোগত এলানি কাৰ্যসূচী পালন কৰা হয়। শালবাৰী জিলা বড়ো সাহিত্য সভাৰ সভাপতি ডম্বৰুধৰ বসুমতাৰীয়ে পতাকা উত্তোলন কৰাৰ পাছতেই নিখিল বড়ো ছাত্ৰ সন্থাৰ বাক্সা জিলাৰ সভাপতি উমেশ দৈমাৰীয়ে বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পন আৰু পুস্পাঞ্জলি অৰ্পন কৰে। অনুষ্ঠানত শালবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ, শালবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষকে ধৰি

কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ইপিনে, চিৰাং জিলাৰ ঢালিগাওঁস্থিত চিৰাং জিলা বড়ো সাহিত্য সভাৰ কাৰ্যালয় প্ৰাঙ্গনতো আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে বড়ো মাধ্যম দিৱস পালন কৰা হয়। জিলা বড়ো সাহিত্য সভা আৰু নিখিল বড়ো ছাত্ৰ সন্থাৰ চিৰাং গোটৰ উদ্যোগত আয়োজিত দিনযোৰা কাৰ্যসূচীত বড়ো সাহিত্য সভাৰ প্ৰয়াত সাহিত্যসেৰীসকলৰ স্মৃতিত স্মৃতিচাৰণ কৰা হয়। জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানতো বড়ো মাধ্যম দিৱস উদ্যাপন কৰা হয়। আনহাতে, কোকৰাঝাৰৰ চিম্বৰগাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বড়ো সাহিত্য সভাৰ কোকৰাঝাৰ জিলা শাখাৰ উদ্যোগত বড়ো মাধ্যম দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী হাতত লোৱা হয়।

উল্লেখযোগ্য যে ১৯৬৩ চনত তদানীন্তন মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ শাসনকালত ১৮ মে'ৰ দিনটোত অসমৰ নিম্ন বুনিয়াদি বিদ্যালয়সমূহত বড়ো ভাষাত শিক্ষা প্ৰদান আৰম্ভ কৰা হৈছিল। সেয়েহে প্ৰতি বছৰে ১৮ মে'ৰ দিনটো বড়ো বিজৌং ছান অৰ্থাৎ বড়ো মাধ্যম দিৱস হিচাপে পালন কৰা হয়।

০০০০

উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ উত্তৰ বহী পুনৰীক্ষণৰ বাবে পৰীক্ষাৰ্থীসকলে অনলাইনৰ জৰিয়তেহে আবেদন জনাব পাৰিব। এই সন্দৰ্ভত উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে জাৰি কৰা এখন অধিসূচনা অনুসৰি উত্তৰ বহী পুনৰীক্ষণ কৰিবলৈ বিচৰা পৰীক্ষাৰ্থীসকলে অহা ২২ মে'ৰ বিয়লি ৫ বজা পৰ্যন্ত ahsec.assam.gov.inত অনলাইন আবেদন কৰিব পাৰিব। ইয়াৰ বাবে পৰীক্ষাৰ্থীসকলে মাচুলো অনলাইনযোগে আদায় কৰিব লাগিব।

০০০০

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে একাদশ শ্ৰেণীৰ নামভৰ্তি প্ৰক্ৰিয়া চলি থকাৰ পৰিপ্ৰেক্ষিতত এখন গুৰুত্বপূৰ্ণ জাননী জাৰি কৰিছে। এই অনুসাৰে শিক্ষা সংসদে ২০২৪-২৫ শিক্ষাবৰ্ষৰ বাবে একাদশ শ্ৰেণীৰ নামভৰ্তি প্ৰক্ৰিয়া নিৰ্দিষ্ট দৰ্পন পোৰ্টেলৰ যোগেৰে সম্পন্ন কৰিবলৈ শিক্ষাৰ্থী আৰু অভিভাৱকসকলক আহ্বান জনাইছে। উল্লেখযোগ্য যে দৰ্পন পোৰ্টেলত পঞ্জীয়নভুক্ত নোহোৱা কিছু শিক্ষানুষ্ঠানে নিজাববীয়াকৈ অফলাইন প্ৰক্ৰিয়াৰে শিক্ষাৰ্থীৰ নামভৰ্তি কৰি থকাৰ ঘটনা দৃষ্টিগোচৰ হোৱাৰ পাছতে শিক্ষা সংসদে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক সজাগ কৰাৰ উদ্দেশ্যে এই জাননী জাৰি কৰিছে। অফলাইন প্ৰক্ৰিয়াৰে কৰা নামভৰ্তি শিক্ষা সংসদৰ সিদ্ধান্তৰ পৰিপন্থী আৰু এই ব্যৱস্থাৰে সম্পন্ন হোৱা নামভৰ্তিসমূহক শিক্ষা সংসদে মান্যতা প্ৰদান নকৰাৰ লগতে তেনে ছাত্ৰ-ছাত্ৰীসকলক একাদশ শ্ৰেণীৰ পঞ্জীয়নৰ আওতালৈ অনা নহব বুলিও শিক্ষা সংসদে সকিয়াই দিছে।

০০০০

মৰমৰ যোৰহাট আঁচনিৰ অধীনত আজি যোৰহাট জিলা প্ৰশাসনে টিয়ক হাইস্কুল প্ৰাঙ্গনত পথ সুৰক্ষা ব্যৱস্থা সন্দৰ্ভত এখন জনসভা অনুষ্ঠিত কৰে। জিলা আয়ুক্তৰ সভাপতিত্বত আয়োজন কৰা সভাখনত জিলা আৰক্ষী অধীক্ষককে ধৰি প্ৰশাসনীয় বিষয়াসকল উপস্থিত থাকে। পথ সুৰক্ষা ব্যৱস্থাৰ বিষয়ে আলোচনা কৰি জিলা আয়ুক্তগৰাকীয়ে ৰাইজক যাতায়ত আৰু পৰিবহনৰ সময়ত বিশেষকৈ ৰাষ্ট্ৰীয় ঘাইপথত অধিক সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনায়। পথ সজাগতা সম্পৰ্কীয় অন্য এটা অনুষ্ঠানত জিলা প্ৰশাসনিক বিষয়াসকলে ৪ লেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰে। আয়ুক্তগৰাকীয়ে নিৰ্মাণকাৰ্যত নিয়োজিত সংস্থাক সমাগত বাৰিষা কালত পথ দুৰ্ঘটনা ৰোধ কৰিবলৈ বিভিন্ন ব্যৱস্থা লবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ লগতে জিলা প্ৰশাসনে পথচাৰীৰ বাবে বেৰিকেদ ইত্যাদি নিৰ্মাণৰ বাবেও নিৰ্দেশনা প্ৰদান কৰে।

০০০০

রাজ্যৰ বিভিন্ন জিলাত দুৰ্যোগ ব্যৱস্থাপনা কর্তৃপক্ষ আইনৰ অধীনত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণসমূহে সম্ভাব্য দুৰ্যোগ নিবাৰণৰ বাবে কেতবোৰ কাৰ্যপন্থা হাতত লৈছে। এই উপলক্ষে কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত সুমিত ছাট্টাৱানে মহানগৰীত ভূমিস্খলন আৰু কৃত্ৰিম বানৰ সমস্যা ৰোধ কৰাৰ লগতে দুৰ্যোগৰ সময়ত হোৱা প্ৰাণহানি ৰোধ কৰাৰ বাবে মহানগৰীখনৰ পাহাৰীয়া অঞ্চলসমূহৰ লগতে জলাশয় আৰু নিম্ন অঞ্চলসমূহত বাৰিষাৰ কালছোৱাত খনন কাৰ্য নকৰিবলৈ নিৰ্দেশ দিছে।

যোৰহাটতো জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ এখন গুৰুত্বপূৰ্ণ বৈঠক সম্পন্ন হয়। সভাত জিলা আয়ুক্ত তথা প্ৰাধিকৰণৰ সভাপতিগৰাকীয়ে জিলাখনৰ আটাইবোৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ লগতে একোজনকৈ কাৰ্যবাহী দণ্ডাধীশক বালি আৰু পলসৰ মহলসমূহ পৰিদৰ্শন কৰি দুৰ্যোগ বিৰোধী ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। এই অনুযায়ী মহলসমূহৰ সীমা নিৰ্ধাৰণ কৰা, স্থানীয় ৰাইজৰ জ্ঞাতাৰ্থে উপযুক্ত পলসৰ ব্যৱস্থা কৰা, খননৰ ফলত সৃষ্টি হোৱা গাঁতসমূহ পূৰণ কৰা আদি ব্যৱস্থা গ্ৰহণ কৰিবলৈ আয়ুক্তগৰাকীয়ে সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াৰ লগতে জিলা বন সংমণ্ডল বিষয়াক নিৰ্দেশনা প্ৰদান কৰিছে। জিলাখনত অবৈধভাৱে চলি থকা সকলো বালিৰ মহল তাৎক্ষণিকভাৱে বন্ধ কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে নিৰ্দেশনা প্ৰদান কৰিছে। ইয়াৰ উপৰি শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকল অহা যোৱা কৰাৰ সময়ত খনন কাৰ্যত ব্যৱহৃত গধূৰ যান বাহনৰ চলাচল নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষী বিষয়া আৰু জিলা পৰিবহণ বিষয়াক নিৰ্দেশ প্ৰদান কৰা হৈছে।

০০০০

শোণিতপুৰ জিলাত ২১ জুনত দশম আন্তৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ বাবে আজি জিলা আয়ুক্তই এখন বৈঠকত মিলিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত বৈঠকত আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই প্ৰশাসনৰ সংশ্লিষ্ট সকলোকে এই দিৱস উদযাপনৰ বাবে যাৱতীয় কাম-কাজ সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ এই কাৰ্যসূচীৰ বাবে স্থান নিৰ্বাচন, প্ৰশিক্ষকসকলৰ প্ৰশিক্ষণ, ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণ নিশ্চিত কৰা আৰু এই দিৱসত বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলক অংশগ্ৰহণ কৰোৱাবলৈ পৰামৰ্শ দিয়ে। আজিৰ অনুষ্ঠানত জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলৰ লগতে স্বাস্থ্য বিভাগৰ বিষয়া, বিদ্যালয়সমূহৰ পৰিদৰ্শক, ক্ৰীড়া বিষয়াকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০০

আজি আন্তৰাষ্ট্ৰীয় সংগ্ৰহালয় দিৱস। এই উপলক্ষে তেজপুৰ বিশ্ববিদ্যালয়ৰ সাংস্কৃতিক অধ্যয়ন বিভাগৰ উদ্যোগত যোৱা ১৩ মে'ৰ পৰা আয়োজন কৰা সপ্তাহযোৱা কাৰ্যসূচীৰ আজি সামৰণি পৰে। কাৰ্যসূচীৰ অংশ হিচাপে শোণিতপুৰ জিলা সংগ্ৰহালয়ৰ সহযোগত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে তেজপুৰৰ ঐতিহ্যমণ্ডিত স্থানসমূহ পৰিদৰ্শনৰ ব্যৱস্থা কৰা হয়। তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু তেজপুৰ কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিনিধিত্বমূলকভাৱে অংশগ্ৰহণ কৰা এই কাৰ্যসূচীৰ জিলা আয়ুক্তই শুভাৰম্ভ কৰে। দলটোৱে শিঙৰি গুপ্তেশ্বৰ মন্দিৰত চলি থকা খননকাৰ্য পৰিদৰ্শন কৰাৰ লগতে দ-পৰ্বতীয়া শৈলতোৰণো পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে আন্তৰাষ্ট্ৰীয় সংগ্ৰহালয় পৰিষদে ঘোষণা কৰা অনুযায়ী **শিক্ষা আৰু গৱেষণাৰ বাবে সংগ্ৰহালয়** চলিত বছৰৰ আন্তৰাষ্ট্ৰীয় সংগ্ৰহালয় দিৱসৰ বিষয়বস্তু।

০০০০

যোৰহাট জিলাৰ বিভিন্ন অঞ্চলত ছোৱাইন ফ্লুৰ প্ৰাদুৰ্ভাৰ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনৰ নাগিনীজান, গাভৰু গোহাঁইবাৰী চাহ বাগিচা অঞ্চলত ভালেসংখ্যক গাহৰিৰ এই ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। আজি পশুপালন বিভাগৰ বিষয়াসকলে অঞ্চলসমূহ পৰিদৰ্শন কৰি এই ৰোগৰ সংক্ৰমণ নিশ্চিত কৰাৰ বাবে নমুনা সংগ্ৰহ কৰে। আনহাতে জিলা পশুপালন বিভাগে জিলাখনত আজিৰে পৰা গাহৰিৰ মাংস বিক্ৰী নিষিদ্ধ কৰাৰ বাবে নিৰ্দেশ জাৰি কৰিছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালৰুৰ এম ছিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। টছত জিকি  চেন্নাই চুপাৰ কিংছে-ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক প্ৰথমে বেট ধৰিবলৈ আমন্ত্ৰণ জনায়। বাতৰি যুগুতোৱাৰ পৰলৈকে ৰয়েল্‌ছ চেলেঞ্জাৰ্ছ বেংগালুৰুয়ে ২ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ১৮ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

আনহাতে, কাইলৈ ৰাজস্থান ৰয়েলছ্ আৰু কোলকাতা নাইট ৰাইডাৰ্ছৰ মাজত গুৱাহাটীত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ লীগ পৰ্যায়ৰ অন্তিমখন খেলৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। উল্লেখযোগ্য যে দুয়োটা দলে ইতিমধ্যে প্লে অফ পৰ্যায়ত প্ৰৱেশ কৰিছে।

০০০০

গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত কাইলৈ হ'বলগীয়া   আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ টি-২০ ক্ৰিকেট খেলখনৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটীৰ যান-বাহন আৰক্ষীয়ে যান-বাহনৰ চলাচলৰ ক্ষেত্ৰত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। এই সময়ছোৱাত শিশু, মহিলা, ছাত্ৰ-ছাত্ৰী, জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম নাগৰিকসকলৰ যাতায়তৰ সুবিধা হোৱাৰ লগতে জৰুৰীকালীন বাহন যেনে এম্বুলেন্স, স্কুল বাছ, অগ্নি নিৰ্বাপক বাহন আদিৰ চলাচল সুচল হোৱাকৈ এই নিৰ্দেশনা জাৰি কৰা হৈছে। সেই অনুসাৰে কাইলৈ দিনৰ ৩ বজাৰ পৰা  নিশা ১২ বজালৈ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ গুৱাহাটী মহানগৰী অংশত গধূৰ যান-বাহন আৰু বাণিজ্যিক বাহনৰ চলাচলত নিষেধাজ্ঞা জাৰি কৰা হৈছে। কাইলৈ গুৱাহাটীৰ আৰ্য নগৰৰ পৰা লখৰা চাৰিআলিলৈ যোৱা পথটো দিনৰ ৩ বজাৰ পৰা ৱানৱে হৈ পৰিব। লালগণেশ তিনিআলি অঞ্চলৰ পৰা খেলৰ কাৰ পাছ্ থকা বাহনকহে বৰ্ষাপাৰালৈ চলাচলৰ অনুমতি প্ৰদান কৰা হ'ব। আনহাতে বৰ্ষাপাৰা তিনিআলিৰ পৰা ধীৰেণপাৰা তিনিআলিলৈও পথছোৱা ৱানৱে হৈ পৰিব আৰু খেলৰ কাৰ পাছ্ থকা বাহনেহে চলাচলৰ অনুমতি পাব। অৱশ্যে স্থানীয় বাসিন্দাৰ বাহন আৰু জৰুৰীকালীন সেৱাৰ বাহনৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহয়।

০০০০

ঃঃ সমাপ্ত ঃঃ